بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِيۡمِ    نَحۡمَدُهٗ وَنُصَلِّيۡ عَلٰى رَسُوۡلِهِ الۡكَرِيۡمِ    وَعَلٰى عَبۡدِهِ الۡمَسِيۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছীহ পঞ্চম (আইঃ) য়ে ২ ফেব্রুৱাৰী ২০১৮ চনৰ মছজিদ বায়তুল ফতুহ লণ্ডনত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

তাশ্বাহুদ তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে নিম্নোক্ত আয়াত সমুহ পাঠ কৰে;

بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِيۡمِ ○ حٰمٓ ○ تَنۡزِيۡلُ الۡكِتٰبِ مِنَ اللّٰهِ الۡعَزِيۡزِ الۡعَلِيۡمِ ○ غَافِرِ الذَّنۡۢبِ وَقَابِلِ التَّوۡبِ شَدِيۡدِ الۡعِقَابِ ۙ ذِى الطَّوۡلِ ؕ لَاۤ اِلٰهَ اِلَّا هُوَ ؕ اِلَيۡهِ الۡمَصِيۡرُ ○ (ছুৰা মোমিন আয়াত ১ ৰ পৰা ৪)

اَللّٰهُ لَاۤ اِلٰهَ اِلَّا هُوَ ۚ اَلۡحَىُّ الۡقَيُّوۡمُ ۚ لَا تَاۡخُذُهٗ سِنَةٌ وَّلَا نَوۡمٌ ؕ لَهٗ مَا فِى السَّمٰوٰتِ وَمَا فِى الۡاَرۡضِ ؕ مَنۡ ذَا الَّذِىۡ يَشۡفَعُ عِنۡدَهٗۤ اِلَّا بِاِذۡنِهٖ ؕ يَعۡلَمُ مَا بَيۡنَ اَيۡدِيۡهِمۡ وَمَا خَلۡفَهُمۡ ۚ وَلَا يُحِيۡطُوۡنَ بِشَىۡءٍ مِّنۡ عِلۡمِهٖۤ اِلَّا بِمَا شَآءَ ۚ وَسِعَ كُرۡسِيُّهُ السَّمٰوٰتِ وَالۡاَرۡضَ ۚ وَلَا يَـُٔوۡدُهٗ حِفۡظُهُمَا ۚ وَهُوَ الۡعَلِىُّ الۡعَظِيۡمُ ○ (ছুৰা আল্-বাকাৰা আয়াত ২৫৬)

উক্ত আয়াত সমুহৰ তৰজমা হ'ল যে; পৰম কৰুণাময় পৰম দানশীল আল্লাহ তায়লাৰ নামত (আৰম্ভ কৰিবলৈ লৈছো) হাআ মীম। (প্ৰশংসনীয় মহিমামণ্ডিত প্ৰভূ প্ৰতিপালক)। এই গ্ৰন্থখন অৱতীৰ্ণ হৈছে সৰ্বশক্তিমান, সৰ্বজ্ঞ, আল্লাহ তায়লাৰ ফালৰ পৰা। পাপৰ ক্ষমা কৰোঁতা, অনুতাপ গ্ৰহন কৰোঁতা, শাস্তি প্ৰদানত কঠোৰ, সকলো বদান্যতাৰ গৰাকী, সেই জনাৰ বাহিৰে আন কোনো প্ৰভূ (উপাস্য) নাই। সেই জনালৈকে হ'ব শেষ প্ৰত্যাগমন।

দ্বিতীয় আয়াত হ'ল আয়াতুল কুৰছি, ইয়াৰ তৰজমা হ'ল যে, আল্লাহ যিজনাৰ বাদে আন কোনো প্ৰভূ (উপাস্য) নাই। যাৰ জীৱণ অনন্ত অনাদি। যি সকলোকে ধাৰণ কৰোঁতা; তন্দ্ৰ বা নিদ্ৰাই তেওঁক ধৰিব নোৱাৰে। আকাশ আৰু পৃথিৱীৰ সকলো তেওঁৰেই। এনেজন কোন আছে যিয়ে তাৰ বিনা অনুমতিত তেওঁৰ আগত মধ্যস্থতা কৰিব ? সিহঁতৰ আগত আৰু সিহঁতৰ পিছত কি আছে সেয়া তেওঁ জানে। আৰু তেওঁৰ ইচ্ছা বিহনে সিহঁতে তেওঁৰ জ্ঞানৰ পৰিসৰ আগুৰিব নোৱাৰে। তেওঁৰ সাম্ৰাজ্য আকাশ আৰু পৃথিৱী বিস্তৃত হৈ আছে। আৰু এই উভয় মণ্ডলীৰ সংৰক্ষণে তেওঁক ক্লান্ত কৰিব নোৱাৰে আৰু তেৱেঁই অতি উচ্চ চৰম মৰ্যদা সম্পন্ন মহান। (ছুৰা আল্-বাকাৰা আয়াত ২৫৬)

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে, উক্ত আয়াত সমুহত আল্লাহ তায়লাৰ কিছুমান গুণাৱলীৰ উল্লেখ কৰা হৈছে আৰু তাৰ মহানতা ও ক্ষমতাৰ বৰ্ণনা কৰা হৈছে। উক্ত আয়াতবোৰৰ গুৰুত্ব সম্পৰ্কে হাদীছ শ্বৰীফত আঁহজৰত (ছাঃ) ৰ মন্তব্য উল্লেখ কৰা আছে। হজৰত আবু হুৰায়েৰা উল্লেখ কৰিছে যে ৰছুলুল্লাহ (ছাঃ) য়ে কৈছে যে যিন পুৱতিৰ দোকমোকালিতে হাআ মীমৰ পৰা ইলায়হিল মাচিৰ লৈ আৰু আয়াতল কুৰছি পাঠ কৰিব তাক এই দুটাৰ ফজিলতৰ সহায়ত আবেলি লৈকে ৰক্ষণাবেক্ষণ কৰা হ'ব আৰু যিজন এই দুটা আবেলি তেওঁ পাঠ কৰিব তেওঁক ইয়াৰ জৰিয়তে আকৌ পুৱতি নিশালৈ ৰক্ষণাবেক্ষণ কৰা হ'ব।

হাআ মীম হ'ল ছুৰা মোমিনৰ দ্বিতীয় আয়াত। এয়া যি উল্লেখ কৰিছে, **হাআ মীম** এয়া হ'ল হামিদ আৰু মাজিদ দুটা শব্দৰ সমষ্টি। হামিদৰ অৰ্থ এয়া সুচায় যে সেইজনা, যিজনাই একমাত্ৰ প্ৰশংসাৰ যোগ্য আৰু প্ৰকৃত প্ৰশংসা একমাত্ৰ তাৰেঁই সৌন্দৰ্য। অৰ্থাৎ খোদা তায়লাই হ'ল চাহাবে হামদ (প্ৰশংসাৰ একমাত্ৰ গৰাকী) হজৰত মছিহ মাওউদ (আঃ) য়ে **হামদ্** শব্দৰ বিশ্লেষণ কৰোঁতে উল্লেখ কৰিছে যে বুজি লওঁক যে **হামদ** সেই প্ৰশংসাক কোৱা হয়, যিটো কোনো এটা প্ৰশংসাযোগ্য উত্তম কাৰ্য্যৰ বাবেহে কৰা হয় আৰু এনেকুৱা পুৰুস্কাৰ প্ৰদান কৰে আৰু নিজৰ ইচ্ছা অনুযায়ী দয়াৰ ভাণ্ডাৰ উন্মোক্ত কৰে। প্ৰকৃত **হামদ্** সম্পূৰ্ণ ভাৱে কেৱল সেই সত্তাৰ বাবে উপযুক্ত যিজনাই সকলো কল্যাণ আৰু আলোকৰ উৎস আৰু অন্তনিহিত দৃষ্টিৰে কাৰো ওপৰত দয়া বৰ্ষণ কৰোঁতা, তেওঁ নিজৰ প্ৰজ্ঞাৰ বহিৰ্ভূত হিচাপে বা বাধ্যবাদকতাৰ পৰিণতিত কাকো দয়া কৰোঁতা নহয়। **হামদ্** শব্দৰ এনে অৰ্থ কেৱল খোদা য়ে কৰিব ও বছিৰৰ সত্বাতেই পাব পাৰি আৰু তেৱেঁই দয়ালু আৰু আদিৰ পৰা অন্তলৈ সকলো কৃপা তেওঁৰেই ফালৰ পৰা উপলব্দ। সকলো প্ৰশংসা যি তাৰ বাহিৰে বেলেগত কৰা হ'ব তেন্তে তাৰ দাবীও তাতেই হ'বগৈ অৰ্থাৎ বেলেগতে হ'ব।

**হামদ্** শব্দৰ মাজত আৰু এটা সংকেত নিহিত আছে, সেয়া হ'ল এয়া যে আল্লাহ তাবাৰুক তায়লা কৈছে যে; হে মোৰ বান্দা সকল, মোৰ গুণাৱলীৰে মোক চিনি লোৱা আৰু মোৰ ক্ষমতাৰ পৰা মোক ধাৰণা কৰা। যি সকলে মোক সকলো গুণাৱলি আৰু ক্ষমতাৰ ধাৰক (উৎস) হিচাপে বিশ্বাস কৰে আৰু তেওঁলোকে য'ত যি মহান ক্ষমতাৰ চিহ্ন দেখিবলৈ পায় আৰু নিজৰ ধাৰণাৰ অন্তিম পৰ্য্যায়ত গৈ সেই জালাল তেওঁলোকে মোৰ পৰাক্ৰমৰ অন্তৰ্ভূক্ত কৰে, তেওঁলোকেই একেৰা লোক যি সকলে মোৰ বিধান মানি চলে। সত্য তেওঁলোকৰ লগত আছে আৰু তেওঁলোকেই কৃতকাৰ্য্য হ'ব। উল্লেখ কৰে যে গতিকে আল্লাহ তায়লা তোমালোকক নিৰাপদ ৰাখক। অতি সোনকালে খোদায়ে জুলজালালৰ গুণাৱলী বিচৰাত লাগি যোৱা আৰু প্ৰজ্ঞাবান সকলৰ দৰে চিন্তা ভাৱণা কৰি সূক্ষ্ম দৃষ্টিৰে আগবাঢ়ি যোৱা। কাৰণ **হামদ্** গুণাৱলীৰ জ্ঞান লাভ হলেই বাকী গুণাৱলী সমুহৰ বিষয়ে জ্ঞান অৰ্জন হ'ব। ভালদৰে চেষ্টা কৰা আৰু পৰাক্ৰমৰ শাখা-প্ৰশাখালৈ দৃষ্টি নিক্ষেপ কৰা আৰু সেই জগতৰ ভিতৰত আৰু বহিৰ্ভাগত নিজৰ ইচ্ছা পূৰণ কৰিবলৈ আপ্ৰাণ চেষ্টা কৰি থাকে। উল্লেখ কৰে যে; গতিকে যেতিয়া তুমি তাৰ ওচৰত সম্পূৰ্ণ ৰূপে উপস্থিত হৈ যাবা আৰু তাৰ সুগন্ধি ভাল কৰিবা, তোমাক এনে লাগিব যেনিবা তুমি তাক পাই গৈছা আৰু এয়া এনে এটা ৰহস্য যিটো কেৱল হিদায়েতৰ পিয়াহত আতুৰজনেই বুজি পায়। গতিকে এয়াই হ'ল আল্লাহ তায়লা চাহাবে হামদ্ হোৱাৰ তত্ত্ব জ্ঞান যি আমি অৰ্জন কৰা উচিত যাতে আল্লাহ তায়লাৰ বেলেগ গুণ সমুহ আমি চিনিব পাৰো।

আকৌ আল্লাহ তায়লা কৈছে যে; তেওঁ **মাজিদ** চাহাবে মাজিদ। ইয়াৰ অৰ্থ হ'ল যে, সি বহুত প্ৰশংসাৰ যোগ্য আৰু উচ্চ মৰ্যদা সম্পন্ন, যি মাৰ্গলৈ কোনেও উন্নীত হ'ব নোৱাৰে। তাৰে কল্যাণৰ সীমা নাই, কোনো শেষ নাই, যিজনে দিয়ে আৰু দিয়েই থাকে, কেতিয়াও ক্লান্ত নহয়। গতিকে এই আয়াত পঢ়াৰ সময়ত আল্লাহ চাহাবে মাজিদ হোৱাৰ এই অৰ্থ মগজুত থকা উচিত। প্ৰথম **হামদ** ৰ অৰ্থ আকৌ তাৰ মাজিদ হোৱাৰ অৰ্থ।

আকৌ উল্লেখ কৰিছে যে তেওঁ **আজিজ**। অৰ্থাৎ সেই শক্তিক গৰাকী যি সকলো শক্তিশালী জনতকৈ বেছি শক্তিমন্ত। তেওঁ অপৰাজিত তাৰ পৰাজয় অসম্ভৱ। সকলো সন্মান তাৰেই, তাৰ মূল্য নিৰ্দ্ধৰণ কৰিব নোৱাৰি। তেওঁ সকলোতে বিজেতা তাৰ নিচিনা কোনেও হ'ব নোৱাৰে। এয়া হ'ল **আজিজ** শব্দৰ অৰ্থ।

আকৌ উল্লেখ কৰিছে যে, তেওঁ **আলিম**, অৰ্থাৎ তেওঁ সকলো বস্তু সম্পৰ্কে প্ৰজ্ঞাময় জ্ঞানী যি হৈছে আৰু যি ভৱিষ্যতলৈ হ'ব। তাৰ পৰা কোনো বস্তুয়েই লুকাই থকা নাই, সকলোতে তাৰ জ্ঞানে আৱৰি আছে। গতিকে এইজনেই হ'ল সেই খোদা, যিজনাই এই খন কিতাপ অৱতীৰ্ণ কৰিছে অৰ্থাৎ **কোৰ'আন কৰিম**, যিজনে এই শেষ চৰিয়ত নমাই পঠাইছে। তেওঁ সকলো যুগত প্ৰয়োজনীয় জ্ঞানৰ সম্ভাৰ ইয়াতে যোগান ধৰিছে। ইয়াৰ ওপৰত প্ৰকৃত ৰঙত আমল কৰিলে এতিয়া সকলো ধৰণৰ ৰক্ষণাবেক্ষণ আৰু বিজয় লাভ হ'ব।

আকৌ কৈছে যে তেওঁ হ'ল **গাফিৰিজ্জামবি**, অৰ্থাৎ গোনাহ ক্ষমা কৰি দিওঁতা। গতিকে তাৰেই আগত নতশীৰে নিজৰ গোনাহৰ বাবে ক্ষমা পাৰ্থনা কৰা উচিত। হজৰত মছিহ মাওউদ (আঃ) য়ে এই বিষয়ে বিভীন্ন ঠাইত বৰ্ণনা কৰিছে যে নিজৰ পাপ সমুহৰ বাবে সদায় ক্ষমা ভিক্ষা কৰা উচিত। তেখেত (আঃ) য়ে কৈছে যে মানুহে যি ধৰ্মীয় আধ্যাত্মিক ৰশ্মি লাভ কৰে সেয়া অস্থায়ী, তাক নিজৰ সৈতে সংলগ্ন ৰখাৰ বাবে ইস্তেগফাৰ কৰাৰ প্ৰয়োজন আছে। ইস্তেগফাৰৰ এটা অৰ্থ এয়া যে খোদা তায়লাৰ পৰা প্ৰাপ্ত কিৰণ নিৰাপদ থাকক আৰু বেছি বেছিকৈ যেন লাভ হয়। ইয়াৰে সদৰ ঠাই হ'ল নমাজ, যাতে নিতৌ প্ৰাণ উজাৰি খোদা তায়লাৰ পৰা মাগি লোৱা যায়। যিজন দৃষ্টি সম্পন্ন তেওঁ জানে যে নমাজ এক মেৰাজ স্বৰূপ আৰু এয়া নমাজৰেই কৰুণ মিনতি আৰু আকূতিৰে পৰিপূৰ্ণ দোৱা, যাৰ দ্বাৰা সকলো বেমাৰৰ পৰা মুক্তি লাভ হয়। অৰ্থাৎ আধ্যাত্মিক আৰু শাৰীৰিক সকলো ধৰণৰ বেমাৰৰ প্ৰতিৰোধৰ বাবে দোৱাৰ প্ৰয়োজন আছে আৰু দোৱাৰ মাজত ইস্তেগফাৰৰ প্ৰয়োজন আছে আৰু নমাজ তাৰেই এটা অংশ।

আঁহজৰত (ছাঃ) য়ে কৈছে যে, কেৱল এই আয়াত পাঠ কৰিলে একো ফল নিদিয়ে বৰং লগতে আমলৰ অৱস্থাও উন্নত কৰিব লাগিব, আৰু দৃষ্টি ৰাখিব লাগিব যে আমি কেনেকৈ ইস্তেগফাৰ কৰিব লাগিব, আৰু কেনেকৈ নিজৰ নমাজক হিফাজত কৰিব লাগিব যাতে আমাৰ হিফাজত লাভ হয়। হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে যে ইস্তেগফাৰৰ মানে হ'ল কোনো পাপ নিজৰ ফালৰ পৰা সংগঠিত নহয় আৰু গোনাহ কৰাৰ যি শক্তি সেয়া যেন আবিৰ্ভাৱ নহয়। মানুহে প্ৰকৃত ভাৱে মৌনতাৰে হৃদয় কক্ষত ক্ষমা প্ৰাৰ্থনা কৰি থাকিব লাগে যাতে শাস্তি ভূগিব নালাগে আৰু সদায় মনতে খোদা তায়লাৰ সহায় মাগিব লাগে যে ভৱিষ্যতলৈ নেক কাম কৰাৰ তৌফিক দান কৰক আৰু পাপৰ পৰা বচাওঁক। হৃদয়ৰ পৰা উদিত কথা খোদা তায়লাৰ ওচৰ পায় আৰু নিজৰ মুখেৰে খোদা তায়লাৰ ওচৰত বহু দোৱা কৰা উচিত।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে, জিকিৰ আজকাৰ, দোৱা আদি সেই সময়তহে কামত আহে যেতিয়া ইয়াৰ লগত আমল উন্নত মানলৈ উন্নীত কৰাৰ চেষ্টা কৰা হয়। সৰু সৰু দোৱাবোৰও তেতিয়া গৃহীত হয় যেতিয়া ফৰজ সমুহ আদায় কৰা হয়। নমাজ সময়মতে নিয়মিত অতি আগ্ৰহেৰে পঢ়িলেহে জিকিৰ কামত আহিব।

আল্লাহ তায়লাৰ আন এটা চিফাত হ'ল কাবিলিত **তাওবি**। তেওঁ তওবা কবুল কৰোঁতা। তওবাৰ অৰ্থ হ'ল নিজৰ পাপৰ ক্ষমা বিচাৰি খোদা তায়লাৰ ফালে ওলটি যোৱা। গতিকে যেতিয়া মানুহে এই শপত লৈ আল্লাহ তায়লাৰ দৰবাৰত উপস্থিত হয় যে ভৱিষ্যতলৈ আৰু গোনাহ নকৰো তেতিয়া আল্লাহ তায়লা সেই বান্দাৰ তওবা কবুল কৰে। হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে সেই দিন কোনটো যিটো জুমা আৰু ঈদৰ দিনতকৈ উত্তম আৰু মোবাৰক দিন ? মই তোমালোকক জনাইছো যে সেই দিনটো হ'ল মানুহৰ তওবাৰ দিন, যি এই সকলো দিনতকৈ উত্তম। ইয়াৰ কাৰণ কি ? কাৰণ হ'ল, এই দিনটো সেই বদ আমল (বেয়া আমল নামা) যিয়ে মানুহক জাহান্নামৰ ফালে লৈ যায় আৰু গুপ্ত ভাৱে আল্লাহ তায়লাৰ ক্ৰোধৰ তললৈ ঠেলি দিছিল সেয়া ধুই পখালি চিকুনাই দিয়া হয় আৰু গোনাহ ক্ষমা কৰি দিয়া হয়। যেনেকৈ আল্লাহ তায়লা কৈছে;

إِنَّ اللّٰهَ يُحِبُّ التَّوَّابِيْنَ وَيُحِبُّ الْمُتَطَهِّرِيْنَ-

নিশ্চয় আল্লাহ তায়লা তওবা কৰোঁতা সকলক বন্ধ বনাই লয় আৰু পৱিত্ৰতা অৱলম্বণ কাৰী সকলক বৰ ভাল পায়। ইয়াতে কেৱল তওবা কৰাই নহয় পৱিত্ৰতাৰও চৰ্ত ৰৈ আছে। সকলো ধৰণৰ বেয়া, পঙ্কিলতাৰ পৰা দুৰত থকাৰও চৰ্ত আছে। নহলে কেৱল নাম মাত্ৰ তওবা শব্দ উচ্চাৰিলে একো লাভ নহয়।

আল্লাহ তায়লা **ৰহিম ও কৰিম**। মানুহৰ দৰে কঠোৰ চেতিয়া নহয় যে এটা পাপৰ পৰিণতিত বংশাণুক্ৰমে পিছলৈ থাকি তাক ধংস কৰিব বিচাৰে। বৰং সেই ৰহিম ও কৰিম খোদা সত্তৰ বছৰৰ গোনাহ এটা শব্দত নিমিষতে ক্ষমা কৰি দিয়ে। আকৌ কৈছে তেওঁ **জিত্বাউলি** অৰ্থাৎ তেওঁ বহুত দাতা, অসীম লাভ দান কৰি থাকে। কাৰণ তাৰ সকলো প্ৰচুৰ্য্যাৰে ভৰি দিয়াৰ শক্তি আছে। অসীম ভাণ্ডাৰৰ মালিক তেওঁ। আল্লাহ তায়লা কৈছে যে মোৰ এই গুণাৱলী তোমালোকে মনত ৰাখিলে সদায় কল্যাণমণ্ডিত হৈ থাকিব পাৰিবা। ইয়াৰ বাদে আন কোনো নাই যে ইমান শক্তি ৰাখে। আমি এই খন পৃথিৱীত আৰু মৃত্যুৰ পিছতও তাৰ ফালেই ওলটিব লাগিব। গতিকে যেতিয়া এই উপলব্দি থাকিব যে শেষতগৈ খোদা তায়লাৰ ফালেই উভতিব লাগিব তেতিয়া নেকি কৰাৰ আৰু তাৰ আদেশ মতে চলাৰ প্ৰতি মনযোগ থাকিব আৰু যেতিয়া এনে অৱস্থা হ'ব তেতিয়া খোদা নিশ্চয় হিফাজত কৰিব।

আয়াতুল কুৰছি সম্পৰ্কে হজৰত আবু হুৰায়েৰাৰ পৰা বৰ্ণিত আছে যে ৰছুলে পাক (ছাঃ) য়ে কৈছে যে প্ৰত্যেক বস্তুৰেই এটা কুঁজ থাকে তেনেদৰে কোৰ'আন কৰিমৰ কুঁজ হ'ল ছুৰা বাকাৰা; ছুৰা বাকাৰাত এনেকুৱা এটা আয়াত আছে যি কোৰ'আন কৰিমত লিপিবদ্ধ সকলো আয়াতৰ চৰদাৰ। সেই আয়াত হ'ল **আয়াতুল কুৰছি**। ইয়াৰ বিশ্লেষণত গৈ হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে ; اللّٰهُ لَآ اِلٰهَ اِلَّا هُوَ ۚ اَلْحَیُّ الْقَیُّوْمُ অৰ্থাৎ আল্লাহ ব্যতিৰেকে কোনো মাবুদ নাই। তেওঁৰেই প্ৰত্যেক প্ৰাণৰে প্ৰাণ, আৰু সকলো সত্তাৰ আশ্ৰয়দাতা। উক্ত আয়াতৰ শব্দ অৰ্থ হ'ল জীৱন্ত, সেইজনা খোদা হ'ল চিৰন্তন। গতিকে যিহেতু তেওঁ জীৱন্ত আৰু চিৰন্তন, সেয়ে ইয়াৰ দ্বাৰা বুজা যায় যে প্ৰত্যেক ব্যক্তি যাক জীৱন্ত দেখা গৈ আছে, তেওঁ সেই আচল সত্তাৰ জীৱণৰ পৰাই জীৱন্ত আৰু যি আচমান, জমিনত প্ৰতিষ্ঠিত ভাৱে খচিত সেয়া সেই আচল সত্তাৰ পৰাই প্ৰতিষ্ঠিত ৰৈ আছে। তেখেত (আঃ) য়ে কৈছে আমি জানি থোৱা উচিত যে কোৰ'আন কৰিমে আল্লাহ তায়লাৰ দুটা নাম উল্লেখ কৰিছে। **আল্ হাইয়ু** আৰু **আল্ কাইউম**। **আল্ হাইয়ু** ৰ অৰ্থ হ'ল খোদা জীৱন্ত, আৰু বেলেগক জীৱণ দান কৰোঁতা। **আল্ কাইউম** ৰ অৰ্থ ৰ অৰ্থ নিজে চিৰন্তন (অনন্ত অনাদি) আৰু বেলেগৰ প্ৰতিষ্ঠাৰ আচল ভিত্তি। সকলো বস্তুৰ প্ৰকাশ্য আৰু অন্তৰ্নিহিত প্ৰতিষ্ঠাপন আৰু জীৱণ তেওঁৰেই এই দুই গুণাৱলীৰ বাবেই চলি আহিছে। গতিকে **হাই** শব্দই বিচাৰে যে তাৰেই ইবাদত কৰা হওঁক। ইয়াৰেই দৃষ্টান্ত ছুৰা ফাতিহাৰ **ইয়াকানাবুদুত** ৰাখিছে আৰু **আল্ কাইউমে** বিচাৰে যে তাৰেই আশ্ৰয় বিচৰা যাওক। ইয়াক **ইয়াকানাছতাঈন** শব্দৰে সংকেত আদায় কৰা হৈছে।

আকৌ আয়াতুল কুৰছিত যি শ্বাফায়ত (গোনাহ ক্ষমা কৰাৰ চুপাৰিছ) ৰ বিষয়ে যি বৰ্ণনা আছে সেই সম্পৰ্কে তেখেত (আঃ) য়ে কৈছে যে প্ৰত্যেকজন মানুহে যেতিয়া বেলেগৰ বাবে দোৱা কৰে সেয়া একধৰণৰ শ্বাফায়ত আৰু এয়া এজন মোমিনৰ গুণ হোৱা উচিত। কোৰ'আন কৰিমৰ অদেশ দিয়া আছে যে যি জন ব্যক্তি খোদা তায়লাৰ ওচৰত বেছি নতশীৰ হৈ থাকে তেওঁ নিজৰ দুৰ্বল ভাই সকলৰ বাবে দোৱা কৰিব যাতে তেওঁলোকেও উন্নীত হ'ব পাৰে। এয়াই হ'ল প্ৰকৃত শ্বাফায়ত গতিকে আমি নিজৰ ভাই সকলৰ বাবে দোৱা কৰিব লাগে যে খোদা তেওঁলোকক শক্তি দান কৰা আৰু তেওঁলোকৰ বিপদ দুৰীভূত কৰা। তেখেত (আঃ) য়ে আকৌ কৈছে যে যিহেতু মানৱ জাতিটো গোটেই মিলি এটা শৰীৰৰ দৰে সেয়ে আল্লাহ তায়লা আমাক শিকাইছে যে তোমালোক নিজৰ ভাই সকলৰ শ্বাফায়তত অৰ্থাৎ তেওঁলোকৰ বাবে দোৱা কৰি থাকা। তোমালোকৰ এজনৰ ওপৰত আনজনৰ এই বিষয়ে হ'ক আছে। এজনে আনজনৰ প্ৰতি চৰম সহানুভূতি থকা উচিত। সেই বাবেই বৰ্ণনা আছে যে দ্বীনত দুটা ভাগ আছে তাৰে এটা হ'ল খোদা তায়লাৰ প্ৰতি প্ৰেম আনটো হ'ল মানৱ সন্তানলৈ এনেকুৱা চেনেহ ৰখা যে

তেওঁলোকৰ বিপদ মানে নিজৰ বিপদ বুলি গণ্য কৰা আৰু তেওঁলোকৰ বাবে দোৱা কৰা, যাক অন্য শব্দত শ্বাফায়ত বুলি কোৱা হয়। এয়া এটা গুৰুত্বপূৰ্ণ বিষয় যাক আমি আয়াতুল কুৰছি পঢ়াৰ সময়ত মনত ৰাখিব লাগিব তেতিয়াহে মানৱ সন্তানলৈ সহানুভূতিৰ আগ্ৰহ বাঢ়িব। আঁহজৰত (ছাঃ) য়ে যিহেতু আমাক এয়া পঢ়িবলৈ শিক্ষা দিছে, তেন্তে ইয়াত ঈমান আনোতা সকলে পৰস্পৰে সহানুভুতিৰ সম্পৰ্কে প্ৰতিষ্ঠাৰ বাবে বিশেষ আশে বৈ আছে আৰু মানৱ সন্তানলৈ সাধাৰণ ভাৱেই মনযোগ আকৰ্ষণ কৰা হৈছে যে প্ৰত্যেকেই প্ৰত্যেকৰ বাবে সহানুভূতিৰ আগ্ৰহ তোমালোকৰ হৃদয়ত থকা উচিত।

আচলতে শ্বাফায়ত শব্দটো শ্বাফাআ শব্দৰ পৰা অনা হৈছে, যি শব্দই সম অধিকাৰক সূচায়। গতিকে মানুহক সেই সময়ত শ্বফি বুলি ক'ব পৰা যায় যেতিয়া তেওঁ সম্পূৰ্ণ সহানুভূতিৰে বেলেগৰ লগত সমানে মিলিত হৈ বিলীন হৈ যায় আৰু আনৰ বাবে এনেকুৱা নিৰাপত্তা মাগে, যেনেকৈ নিজৰ প্ৰাণৰ বাবে এজনে নিৰাপত্তা বিচাৰে। মনত ৰাখিব লগীয়া যে কোনো ব্যক্তিৰ দ্বীন সেই সময়লৈকে পৰিপূৰ্ণতা লাভ কৰিব নোৱাৰে যেতিয়ালৈকে তাৰ মাজত সহানুভূতিয়ে শ্বাফায়তৰ ৰঙ ধাৰণ নকৰে। আখেৰাতৰ শ্বফি সেইজনেই প্ৰমানিত হ'ব পাৰে যিজনে পৃথিৱীত শ্বাফায়তৰ কোনো উদাহৰণ ৰচি দেখুৱায়। যেতিয়া আমি আঁহজৰত (ছাঃ) ৰ ওপৰত দৃষ্টি দিওঁ তেতিয়া তেখেত (ছাঃ) ক শ্বফি হোৱাৰ স্পষ্ট বিশ্লেষণ আৰু ধাৰণা কাৰণ তেখেত (ছাঃ) ৰ শ্বাফায়তৰ এনে প্ৰেৰণা আছিল যে তেখেত (ছাঃ) য়ে দৰিদ্ৰ চাহাবা সকলক শ্বাসনৰ গাদীত বহুৱাই দিছিল। তেখেত (ছাঃ) ৰ শ্বাফায়তৰ প্ৰভাৱত তেওঁলোকে (চাহাবা) এনেভাৱে মোহিত হৈছিল যাৰ দৃষ্টান্ত কোনো যুগতেই পাবলৈ নাই। আকৌ তেখেত (ছাঃ) ৰ খোদা তায়লাৰ ইলহাম লাভ কৰি আছে।

আকৌ আয়াতুল কুৰছিৰ শেষ ভাগত আল্লাহ তায়লাৰ দুটা গুণৰ উল্লেখ কৰিছে। এটা হ'ল **আলিউল** অৰ্থাৎ সৰ্ধোচ্চ মৰ্যদা সম্পন্ন, তাতকৈ উচ্চ কাৰো মৰ্যদা নাই। তেৰেই আচমান আৰু জমিনৰ মালিক আৰু তেওঁ হ'ল মহান। তাৰ মহানতা আৰু প্ৰতাপ আৰু মৰ্যদাৰ স্থানলৈ কোনেও আৰোহণ কৰিব নোৱাৰে। তাৰ এই প্ৰতাপি উচ্চ মৰ্যদায় সকলো বস্তুকেই আৱৰি আছে, কোনো বস্তুৰেই তাৰ ঘেৰাও ক্ষেত্ৰৰ বাহিৰত নহয়। হজৰত মছিহ মাওউদ (আঃ) য়ে আয়াতুল কুৰছিৰ শেষ অংশৰ বিশ্লেষণ কৰোঁতে কৈছে যে খোদা তায়লাৰ কুৰছি (আসন) সম্পৰ্কে আয়াতত আছে যে; وَسِعَ كُرۡسِيُّهُ السَّمٰوٰتِ وَالۡاَرۡضَ ۚ وَلَا يَـــُٔوۡدُهٗ حِفۡظُهُمَا ۚ وَهُوَ الۡعَلِىُّ الۡعَظِيۡمُ- অৰ্থাৎ খোদা তায়লাৰ আসনৰ ভিতৰত সকলো আচমান, জমিন সোমাই আছে আৰু তেওঁ এই সকলোবোৰ পৰিচালনা কৰি আছে আৰু তেওঁ উচ্চতাৰ চৰম শিখৰত আছে, কোনো প্ৰজ্ঞা গৈ তাৰ চুক এটাৰে কাষত উপস্থিত হ'ব নোৱাৰে। তাৰ মহানতা আৰু প্ৰতাপৰ আগত সকলো বস্তুয়েই ভিত্তিহিন দুৰ্বল। এয়া হ'ল কুৰছিৰ বিশ্লেষণ আৰু এয়া ইয়াৰ মূল তত্ত্ব।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; এয়া হ'ল আয়াতৰ বিষয় ভাৰ, যি আমি সন্মুখত ৰাখি আঁহজৰত (ছাঃ) ৰ শিক্ষা অনুযায়ী পঢ়িলে আল্লাহ তায়লা নিৰাপদ ৰাখিব। কিন্তু কেৱল এই আয়াত পাঠ কৰাই যথেষ্ট নহয় বৰং ইয়াৰ বিষয় বস্তুৰ ওপৰত চিন্তা কৰি সেই কথাবোৰ আপোন কৰি লোৱাৰ প্ৰয়োজন আছে আৰু সেই জ্ঞান অৰ্জন কৰাৰ প্ৰয়োজন আছে যি আঁহজৰত (ছাঃ) য়ে এই আয়াত সম্পৰ্কে বৰ্ণনা কৰিছে। যদি এনেদৰে কৰিব পৰা যায় তেন্তে মানুহে আল্লাহৰ কৃপাত তাৰ হিফাজত লাভ কৰিব। আল্লাহ তায়লা আমাক ইয়াৰ বাবে তৌফিক দান কৰক। শেষত হুযুৰ আনোৱাৰ (আইঃ) য়ে মকৰৰমা আবিদা বেগম চাহিবাৰ (পত্নী আব্দুল কাদিৰ ডাহৰি) নমাজে জানাজা গায়েব পাঢ়াৰ ঘোষণা কৰে। ইন্না লিল্লাহি ওয়া ইন্না ইলাহি ৰাজিউন। (আমিন)

*********

| Assamese Khulasa Khutba Jumma Huzoor Anwar 2 February 2018 |
| --- |
| **BOOK POST (PRINTED MATTER)**<br>To<br>----------------------------------------<br>----------------------------------------<br>----------------------------------------<br>---------------------------------------- |
| From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/N- IV, Bongaigaon Assam 783384. # 7086177737 |